**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 06-07-2026**
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*

**:::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী খন্তেক সময় পূৰ্বে ইন্দোনেছিয়াৰ জাকাৰ্টাত উপস্থিত হৈছে। ইন্দোনেছিয়াৰ ভ্ৰমণসূচী সামৰি প্ৰধানমন্ত্ৰী অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডলৈ যাব।

২। গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে সংস্কাৰ, ডিজিটাইজেছন আৰু পেছাদাৰী ব্যৱস্থাপনাৰ জৰিয়তে সমবায় আন্দোলনে এটা নতুন অধ্যায়ত প্ৰৱেশ কৰিছে।

৩। ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে।

৪। বেংগালুৰুত এটা শিলৰ কুৱেৰিত সংঘটিত দুৰ্ঘটনাত ৭ জন শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ মুখ্য সচিবলৈ জাননী জাৰি কৰিছে। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত আজি স্পেইন -পৰ্টুগালৰ মুখামুখি হ'ব। পুৱা চাৰে ৫ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰ-বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী খন্তেক সময় পূৰ্বে ইন্দোনেছিয়াৰ জাকাৰ্টাত উপস্থিত হৈছে। জাকাৰ্টা বিমান বন্দৰত প্ৰধানমন্ত্ৰী মোদীক ইন্দোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱ' সুবিয়ান্তোই আদৰণি জনায়। বিমান বন্দৰত তেওঁক পৰম্পৰাগত ভাৰতীয় আৰু ইন্দোনেছিয়াৰ সাংস্কৃতিক প্ৰদৰ্শনেৰে স্থানীয় ইন্দোনেছিয়াৰ সম্প্ৰদায়ে বিপুল আদৰণি জনায়। ইন্দোনেছিয়ালৈ এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থটো ভ্ৰমণ। এই ভ্ৰমণসূচীত প্ৰধানমন্ত্ৰী মোদীয়ে ইন্দোনেছিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ লব আৰু দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে সাংস্কৃতিক আৰু ঐতিহাসিক নগৰী য়োগ্যাকাৰ্টালৈ যাব আৰু তাত তেওঁ প্ৰম্বানন মন্দিৰৰ চৌহদ ভ্ৰমণ কৰিব। ভাৰতে এই মন্দিৰটো সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জাকাৰ্টাত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰৱাসী ভাৰতীয়সকলৰ এক বিশাল সভাক সম্বোধন কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰধানমন্ত্ৰী মোদীয়ে ৬ জুলাইৰ পৰা ১১ জুলাইলৈকে ভাৰত প্ৰশান্ত মহাসাগৰ অঞ্চলৰ ৩ খন ৰাষ্ট্ৰ ক্ৰমে ইন্দোনেচিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ভ্ৰমণ কৰিব।

ইণ্ডোনেছিয়াৰ পৰা ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী তিনিদিনীয়া কাৰ্যসূচীৰে ৮ জুলাইত অষ্ট্ৰেলিয়াৰ মেলবৰ্নত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ প্ৰধানমন্তী এন্থনী আলবানেজৰ সৈতে তৃতীয় ভাৰত-অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে লগতে ভাৰত-অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ মঞ্চত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ শীৰ্ষ ব্যৱসায়ীসকলৰ সৈতে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত-অষ্ট্ৰেলিয়াৰ মাজৰ সম্পৰ্কক সুদৃঢ় কৰি তুলিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য, বিনিয়োগ, শিক্ষা, জটিল প্ৰযুক্তি, ক্ৰীড়া, জনসংযোগ আদি বিভিন্ন বিষয়ত মত বিনিময় কৰিব। তেওঁ মেলবৰ্নৰ প্ৰবাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব।

ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত তেওঁ দুদিনীয়া সূচীৰে ১০ জুলাইত নিউজিলেণ্ডলৈ যাব। এয়া হৈছে বিগত ৪০ বছৰত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো নিউজিলেণ্ড ভ্ৰমণ। শ্ৰীমোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই বিগত ২ দুবছৰত বিশেষ অগ্ৰগতি লাভ কৰা বাণিজ্য-বিনিয়োগ আৰু প্ৰতিৰক্ষা খণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দেশখনৰ আগশাৰীৰ ব্যৱসায়ী আৰু ক্ৰীড়াবিদসকলৰ সৈতে মত বিনিময় কৰিব।

ooooo

গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি কয়, যে সংস্কাৰ, ডিজিটাইজেছন আৰু পেছাদাৰী ব্যৱস্থাপনাৰ জৰিয়তে সমবায় আন্দোলনে এটা নতুন অধ্যয়ত প্ৰৱেশ কৰিছে। সমবায় মন্ত্ৰালয়ৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সম্বোধন কৰি শ্ৰীশ্বাহে কয় যে দেশৰ প্ৰতিটো অঞ্চলৰে ৫ খনকৈ শ্ৰেষ্ঠ সমবায় সমিতিক স্বীকৃতি দিবলৈ এটা ৰেংকিং ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে সমবায় বেংকসমূহ সম্প্ৰতি ২৭ লাখ কোটি টকাৰ অৰ্থনীতিৰ গৰাকী।

প্ৰাথমিক কৃষি ঋণ সমিতিসমূহ সুদৃঢ় কৰিবলৈ প্ৰচেষ্টা অব্যাহত আছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰী তথা সমবায় মন্ত্ৰী অমিত শ্বাহে কৃষকসকলক জৈৱিক কৃষি সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু ৰাসায়নিক সাৰৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে দেশৰ সমবায় খণ্ডৰ সৈতে জড়িত ৩০ কোটি লোক আৰু ৮ লাখ ৫০ হাজাৰতকৈ অধিক সমবায় সমিতিসমূহৰ বাবে আজি এটা পবিত্ৰ দিন। কিয়নো আজিৰ দিনটোতে প্ৰধানমন্ত্ৰী মোদীয়ে চৰকাৰত এটা স্বতন্ত্ৰ সমবায় মন্ত্ৰালয় প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লৈছিল। শ্ৰীশ্বাহে লগতে কয় যে  যোৱা ৫ বছৰত সমবায় খণ্ডক আধুনিক, স্বচ্ছ, প্ৰযুক্তিৰে জড়িত কৰিবলৈ প্ৰশংসনীয় কাম সম্পন্ন হৈছে।

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জন্মবাৰ্ষিকীত সমাজ সংস্কাৰকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী শ্বাহে কয়, যে ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে ৰাষ্ট্ৰ প্ৰথম ধাৰণাক নিজৰ জীৱনৰ দিক্ নিৰ্দেশক কৰি লৈছিল। জাতীয় সংহতিৰ বাবে তেওঁৰ জীৱনজোৰা যুঁজ তথা অটল প্ৰতিশ্ৰুতিবদ্ধতাই পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি শ্ৰী শ্বাহে উল্লেখ কৰে।

ooooo

ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা চাৰে ৯ বজাত প্ৰশ্নোত্তৰ কালেৰে সদনৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। এই ২১ দিনীয়া অধিৱেশনত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ জুলাইত ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

ৰাজ্যত অনিয়মীয়া বিদ্যুৎ যোগান, চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস, বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰাকে ধৰি বিষয়সমূহক লৈ সভা স্থগিত প্ৰস্তাৱ উত্থাপনেৰে  সদনত আলোচনা বিচাৰি ব্যৰ্থ হোৱাত আজি বিধানসভা অধিৱেশনৰ প্ৰথম দিনাই বিৰোধীয়ে প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি কৰে। আজি অধিৱেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতে সদনত কংগ্ৰেছে প্ৰচণ্ড গৰমৰ মাজত ৰাজ্যজুৰি সঘনাই বিদ্যুৎ কৰ্তন হোৱা বিষয়ত আলোচনা কৰাটো বিচাৰে। আনহাতে ৰাজ্যত ক্ৰমাগতভাৱে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি দিয়াৰ বিষয়ত সদনত ৰাইজৰ দলে আলোচনা বিচাৰে। এ আই ইউ ডি এফেও বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰাৰ বিৰুদ্ধে সৰৱ হয় আৰু এই বিষয়ত সদনত আলোচনা বিচাৰে। তিনিওটা দলে এইবোৰ বিষয়ত সভাস্থগিত প্ৰস্তাৱ আনিবলৈ বিচাৰে। কিন্তু অধ্যক্ষই এই কেইটা বিষয়ৰ আলোচনা পিছে পৰেও কৰা হ'ব বুলি উল্লেখ কৰি সভা স্থগিত প্ৰস্তাৱৰ অনুমতি নিদিয়াত তিনিওটা দলে সদন ত্যাগ কৰি ওলাই আহি বাহিৰত প্ৰতিবাদমুখৰ হৈ পৰে।

00000

ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ছখনকৈ দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ  পৰিচয়পত্ৰ গ্ৰহণ কৰে। মুজাম্বিকৰ উচ্চায়ুক্ত আৰমান্দো পেদ্ৰো মুইয়ুয়ানে জুনিয়ৰ নিকাৰাগোৱাৰ ৰাষ্ট্ৰদূত নাদেস্কা ইমাৰা কাথবাৰ্ট কাৰ্লচন সুৰিনামৰ ৰাষ্ট্ৰদূত হানিচা জয়ৰাম আৰু গেবন গণৰাজ্যৰ ঔৰেলিন মাৰ্ছেল মিনচা আৰু মংগোলীয়াৰ ৰাষ্ট্ৰদূত ডং উলজিৎ লোহাচঞ্জেভ আৰু বাহামাৰ উচ্চায়ুক্ত পিটাৰ নিকোলাচে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক তেওঁলোকৰ পৰিচয় পত্ৰ প্ৰদান কৰে।

00000

কৰ্ণাটকৰ বেংগালুৰুত এটা শিলৰ কুৱেৰিত এটা বৃহৎ গ্ৰেনাইড শিল বাগৰি পৰি ৭ জন শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ মুখ্য সচিবলৈ জাননী জাৰি কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত এটা বাতৰি প্ৰকাশ পোৱাৰ পাছত আয়োগে ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰে আৰু দুসপ্তাহৰ ভিতৰত আয়োগে এটা বিস্তৃত প্ৰতিবেদন বিচাৰিছে। আয়োগে কয় যে যদিহে বাতৰিতো সচা, তেন্তে ই মানৱ অধিকাৰৰ উলংঘনৰ এটা গম্ভীৰ বিষয়। বেংগালুৰুত যোৱা সপ্তাহত এই দুৰ্ঘটনাটো ঘটিছিল।

00000

১৭ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ ২০২৪-২৫ৰ বঁটা বিতৰণি অনুষ্ঠান কাইলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাত কাশ্মীৰ বিশ্ববিদ্যালয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিজয়ী বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষাৰ্থীসকলক বঁটা বিতৰণ কৰিব। শিক্ষাৰ্থীসকলৰ মাজত গণতান্ত্ৰিক প্ৰমূল্যবোধ আৰু সংসদীয় পদ্ধতিসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ বিগত ২৯ বছৰ ধৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ মাজত সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে এই প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই প্ৰতিযোগিতাৰ শেহতীয়া সংস্কৰণত দেশৰ ৫১ খন বিশ্ববিদ্যালয়, আৰু মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছে।

00000

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত আজি স্পেইন আৰু পৰ্টুগাল মুখামুখি হ'ব।প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ খেলখন  নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব। আনহাতে পুৱা চাৰে ৫ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰ বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে পাঁচবাৰৰ চেম্পিয়ন ব্ৰাজিলে অপ্ৰত্যাশিতভাৱে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। যোৱা নিশা নৰৱেৰ বিৰুদ্ধে খেলা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ২-১ গ'লৰ ব্যৱধানত ব্ৰাজিল পৰাস্ত হয়। এই জয়ৰ জৰিয়তে নৰৱে বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। নৰৱেৰ বিৰুদ্ধে পৰাজয়ৰ পাছতে ব্ৰাজিলৰ তাৰকা খেলুৱৈ নেইমাৰ জুনিয়ৰে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ ঘোষণা কৰে।

আজি পুৱা অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত ইংলেণ্ডে মেক্সিকোক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

00000

ঃঃ সমাপ্ত ঃঃ